# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-01-2026
**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*
# HEADLINE

১। ৩৪ নম্বৰ ডিমৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পানীখাইটীত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।
২। ৰাজ্যত বৰ্তমানলৈকে ১ লাখ ৬০ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে যদিও এতিয়াও ১২ লাখ ভূমি দখলমুক্ত কৰিবলগা আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
৩। শিক্ষা বিভাগৰ অধীনৰ চাহ বাগিচাৰ বাবে সংৰক্ষিত পদত অহা ১১ ফেব্ৰুৱাৰীত নিযুক্তি।

*আৰু*

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ ১৯ বছৰৰ অনুৰ্ধৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ২৫ ৰানত বিজয়ী।

000000

৩৪ নম্বৰ ডিমৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পানীখাইটীত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ২৪ হাজাৰ ৭৬৭ গৰাকী মহিলাক উদ্যমিতা আঁচনিৰ ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰে। এই উপলক্ষে আয়োজিত জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন চৰকাৰী আঁছনিৰ  লাভালাভ সন্দৰ্ভত অৱগত কৰে। ডঃ শৰ্মাই কয়, যে চৰকাৰে পৰ্যায় ক্ৰমে মহিলা উদ্যমিতা আঁছনিৰ ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে।

*-বাইট-*

000000

ৰাজ্যত বৰ্তমানলৈকে এক লাখ ৬০ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হৈছে, যদিও এতিয়াও ১২ লাখ ভূমি দখলমুক্ত কৰিবলগা আছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দুধনৈত কালি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশ লৈ সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ প্ৰতিখন জিলাত দখলীকৃত ভূমিৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলিব। নামনি অসমৰ জিলাসমূহত ভালেসংখ্যক অচিনাকী লোক প্ৰৱেশ কৰি থকা বুলি উঠা অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ হাতত এতিয়া বহু সুবিধা আছে। তেওঁ কয়, যে কোনো লোক বিদেশী বুলি নিৰ্দিষ্ট অভিযোগ পালে বিদেশী ন্যায়াধীকৰণৰ পৰিৱৰ্তে জিলা আয়ুক্তই বিচাৰ কৰি ২৪ ঘণ্টাৰ ভিতৰতে ব্যক্তিজনক বহিষ্কাৰ কৰিব পাৰিব। অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি বহিষ্কাৰ কৰা কাৰ্য উচ্ছেদৰ দৰে ক্ষীপ্ৰতাৰে চলি থাকিব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

000000

শিক্ষা বিভাগৰ অধীনৰ চাহ বাগিচাৰ বাবে সংৰক্ষিত পদত অহা ১১ ফেব্ৰুৱাৰীত নিযুক্তি প্ৰদান কৰা হ'ব। মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চাহ বাগিচাৰ বাবে সংৰক্ষিত ৩ শতাংশ পদৰ ভিতৰত অহা ১৬ ফেব্ৰুৱাৰীত চতুৰ্থ শ্ৰেণীৰ ১৭ গৰাকী আৰু তৃতীয় শ্ৰেণীৰ পদত ২৬ গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰা হ'ব। একেদৰে শেহতীয়াকৈ প্ৰকাশিত প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত এ ডি আৰ ই-ৰ নিযুক্তি তালিকা অনুসৰি মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৯ ফেব্ৰুৱাৰীত চতুৰ্থ শ্ৰেণীৰ পদত ৭৫৬ গৰাকী আৰু ১০ ফেব্ৰুৱাৰীত তৃতীয়

শ্ৰেণীৰ পদত ২২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিব। নিযুক্তি হ'বলগীয়া এই পদসমূহৰ ৩ শতাংশ পদত চাহ বাগিচাৰ প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব।

মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ত হান্স ফাউণ্ডেচনৰ জৰিয়তে নিয়োগ কৰা সংগীত শিক্ষকসকলক সেই প্ৰতিষ্ঠানটোৱে দৰমহা আদায় দিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে ২০২২ চনত চাহ বাগিচাত স্থাপন কৰা আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩১ হাজাৰ ৬০০ লৈ বৃদ্ধি পোৱা বুলি উল্লেখ কৰে।

ooooo

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনত বিজেপিয়ে অকলেই ৬৯ৰ পৰা ৭৪ খন আসন লাভ কৰিব বুলি এটা প্ৰাক্ নিৰ্বাচনী সমীক্ষাত দাবী কৰা হৈছে। দেশৰ আগশাৰীৰ পিপলছ্ পালছ ৰিছাৰ্জ অৰ্গেনাইজেছন নামৰ এটা সংস্থাই চলোৱা এই সমীক্ষা অনুসৰি এন ডি এ-ই অসমত কমেও ৯০ খন আসন লাভ কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছে ২৫ৰ পৰা ২৯ খন আসন লাভ কৰাৰ সম্ভাৱনা আছে। সমীক্ষাত প্ৰকাশ পোৱা মতে আসন্ন নিৰ্বাচনত এ আই ইউ ডি এফ আৰু ইউ পি পি এল দলে ৰাজনৈতিক অস্তিত্ব বৰ্তাই ৰখাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হ'ব পাৰে।

সংস্থাটোৱে যোৱা ১৫ নৱেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ প্ৰায় ৪৫ দিন ধৰি ৰাজ্যৰ ৩৫ খন জিলাত সমীক্ষা চলাইছিল।

ইপিনে, কংগ্ৰেছে প্ৰিয়ংকা গান্ধীক অধ্যক্ষ হিচাপে লৈ অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি সমিতি গঠন কৰিছে। সমিতিত সপ্তগিৰি শংকৰ উলাকা, ইমৰাণ মাছুদ আৰু ড° চিৰিভেল্লা প্ৰসাদক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ দায়িত্বৱাহী এ আই চি চিৰ সাধাৰণ সম্পাদক, প্ৰদেশ কংগ্ৰেছৰ সভাপতি, কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু এ আই চি চিৰ সম্পাদকসকলো প্ৰাৰ্থী বাছনি সমিতিত সহযোগী সদস্য হিচাপে থাকিব।

অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে বিৰোধী মিত্ৰতা সন্দৰ্ভত কংগ্ৰেছ নেতা গৌৰৱ গগৈৰ সৈতে অনানুষ্ঠানিকভাৱে আলোচনা হোৱা বুলি আৰু এই সন্দৰ্ভত শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাত আজি শিশু দিন উদযাপন কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত, কবি-সাহিত্যিক, পাৰ্থসাৰথি মহন্তই উদ্বোধন কৰা এই অনুষ্ঠানৰ পাছতেই বিয়লি ২ বজাত জন্মশতবৰ্ষ উপলক্ষে সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি আৰু ৫ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

ইফালে, কালি একাদশ দিনালৈকে ৫ কোটি ৭০ লাখ টকাৰো অধিক মূল্যৰ গ্ৰন্থ বিক্ৰী হৈছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। শীতকো নেওচি গ্ৰন্থমেলাথলীত বহু লোকৰ সমাগম হয়। কালি গ্ৰন্থমেলাৰ প্ৰাঙ্গনত মহিলাসকলৰ ভিন্ন সুৰী কাৰ্য্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে বিয়লি ৩ বজাৰ পৰা বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। অপৰাজিতা পূজাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশ আগশাৰীৰ কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰ পাছতে বিদ্যালয়ৰ সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ooooo

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত যোৱা ১ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত যোড়শ চানডুবি মহোৎসৱৰ কাইলৈ সামৰণি পৰিব। এই মহোৎসৱ উপলক্ষে অঞ্চলটোত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। পৰ্যটনথলী হিচাপে গঢ় লৈ উঠা চানডুবিলৈ নৱবৰ্ষ উপলক্ষে বহু পৰ্যটক আৰু বনভোজ দলৰ আগমণ হৈছে। এই লোকসকলেও উৎসৱৰ আনন্দ উপভোগ কৰিছে। মহোৎসৱথলীত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ লগতে সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হৈছে।

ইপিনে, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৩১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত ৰামধেনু উৎসৱৰ আজি সামৰণি পৰিব। এই উৎসৱৰ প্ৰথমদিনা অসমৰ এখন নিভাঁজ গাঁৱক প্ৰতিফলিত কৰি প্ৰদৰ্শনী মুকলি কৰা হয়। কালি উৎসৱৰ অংশ হিচাপে শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ধ্ৰুপদী ৰংগ, গীতং, বাদং, নৃতং শীৰ্ষক শাস্ত্ৰীয় সংগীতৰ অনুষ্ঠান অনুষ্ঠিত হয়। আজি দিনৰ ১ বজাৰ পৰা কলাক্ষেত্ৰথলী পুতলা নাচ প্ৰদৰ্শন কৰা হ'ব।

ooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে বান তথা জলক্ষেত্ৰৰ দুৰ্ঘটনা প্ৰশমনত সহায় হোৱাকৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী- এছ ডি আৰ এফলৈ ৪০ খন যন্ত্ৰচালিত উদ্ধাৰকাৰী ৰবৰ নাও আগবঢ়াইছে। গুৱাহাটী প্ৰৱেশদ্বাৰত কালি আয়োজিত এটা অনুষ্ঠানত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই এছ ডি আৰ এফৰ ব্যৱহাৰৰ বাবে অগ্নি আৰু জৰুৰীকালীন সেৱা বিভাগক আনুষ্ঠানিকভাৱে এই নাওসমূহক গতাই দিয়ে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই বানৰ উপৰি অন্য দুৰ্যোগ তথা জলক্ষেত্ৰৰ দুৰ্ঘটনাজনিত পৰিস্থিতিত সহজে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই লৈ যাব পৰা এই নাওসমূহে এছ ডি আৰ এফৰ সামৰ্থ বৃদ্ধিত অৰিহণা যোগাব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ৩০ অশ্ব ক্ষমতাৰ ইঞ্জিনৰ লগত লাইফ জেকেটসহ উদ্ধাৰ অভিযানত ব্যৱহৃত অত্যাধুনিক আহিলাৰে সমৃদ্ধি এনে ৰবৰ নাৱৰ জৰিয়তে এবাৰতে ৮-১০ গৰাকী লোকক উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ আনিব পৰা যাব। উল্লেখযোগ্য যে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এতিয়ালৈকে ৩০১ খন দ্ৰুতবেগী যন্ত্ৰচালিত নাও এছ ডি আৰ এফলৈ আগবঢ়াইছে।

ooooo

ভাৰতীয় ১৯ বছৰ অনূৰ্ধ ক্ৰিকেট দলে যোৱা নিশা বেননীৰ উইল'মোৰ পাৰ্কত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল দক্ষিণ আফ্ৰিকাক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ২৫ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩০০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ হৰবংশ পংগালিয়াই ৯৩ আৰু আৰ এছ অম্বৰীশে ৬৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৩০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২৭ অভাৰ আৰু ৪টা বলত ৪টা উইকেটৰ বিনিময়ত ১৪৮ ৰান কৰা অৱস্থাত বৰষুণে খেলখনত বিধি পথালি দিয়ে। ইয়াৰ পাছত খেলখন পুনৰ আৰম্ভ কৰিব পৰা নাযায় আৰু ভাৰতক ডাক ৱৰ্থ লুইছ পদ্ধতিৰে বিজয় ঘোষণা কৰা হয়।

ooooo

**সমাপ্ত**